পাঠ - ৪

# জনমভূমি

*নিজৰ ওপজা ঠাইখন সকলো মানুহৰে অতি প্ৰিয়। এই ওপজা ঠাইখনতে প্ৰতিগৰাকী ব্যক্তিৰ জীৱন কালৰ অনেক স্মৃতি জড়িত হৈ থাকে, যিবোৰ স্মৃতিয়ে স্বদেশৰ প্ৰতি ব্যক্তিৰ অনুৰাগ বঢ়ায়। কবি নলিনী বালা দেৱীয়ে তেওঁৰ ওপজা ঠাইখনক জীৱনে-মৰণে ভালপোৱাৰ কথা কবিতাটিৰ মাজেৰে প্ৰকাশ কৰিছে।*



মেলিলোঁ প্ৰথম চকু
তোমাৰ কোলাতে আই
জনমৰ আদিম পুৱাত,
মুদিম আকৌ চকু
তোমাৰ কোলাতে শুই
জীৱনৰ শেষ সন্ধিয়াত।
মৰাৰ পিছতো যেন
পাওঁহি আকৌ ঠাই
চেনেহৰ শীতলী কোলাত,
ভাগৰুৱা আতমাই
শেষৰ জিৰণি লৈ
জিৰাবহি তোমাৰ ছায়াত।
পখী হে আকাশৰ
বুকুত ফুৰিম উৰি
বাহ ল'ম ওখ বিৰিখত,
পুঁৱতিৰ লগে লগে
জগাম তোমাক নিতে
বনৰীয়া সুৱদি গীতত।



আকাশৰ তৰা হৈ
ৰ লাগি চাই ৰ'ম
সেউজীয়া শুৱনি জেউতি,

জোনাকত মিল হৈ
বিমান পথত বৈ
ওৰে ৰাতি কৰিম আৰতি।

হিমালয় পৰ্ব্বতৰ
শুকুলা টিঙত গৈ
ফুলি ৰ'ম মানসী বিলত,

মলয়াৰ চোঁৰৰত
পাৰিজাত ৰেণু সানি
ঢুলাম তোমাৰ চৰণত

নদী হৈ পখালিম
দুখনি চৰণ নিতে
মাটি হৈ মিলিম বুকুত,

সোণোৱালী মেঘ হৈ
ৰঙা হাঁহি বিৰিঙাম
শেঁতা পৰা দুখনি ওঁঠত।

*কবি— নলিনীবালা দেৱী।*

*উৎস — নলিনীবালা দেৱী ৰচনা সম্ভাৰ (প্ৰথম খণ্ড, সম্পাদনা-ড° শীলা বৰঠাকুৰ)ত থকা 'সন্ধিয়াৰ সুৰ' কবিতা পুথিখনৰ পৰা লোৱা হৈছে (পৃঃ ২৯)। কবিতাটো ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ চমু কৰি পাঠ্যপুথিত সন্নিবিষ্ট কৰা হৈছে।*

**জানো আহা—**



**নলিনী বালা দেৱী (১৮৯৮-১৯৭৭)**

অসমৰ মহিলা কবিসকলৰ ভিতৰত নলিনী বালা দেৱী এগৰাকী প্ৰতিষ্ঠিত কবি। তেখেতৰ জন্ম বৰপেটাত। তেখেত স্বাধীনতা সংগ্ৰামী কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ জীয়ৰী। অকালতে স্বামীক হেৰুৱাই তেখেতে কাব্য-চৰ্চাত মন দিছিল। 'সন্ধিয়াৰ সুৰ', 'সপোনৰ সুৰ', 'পৰশমণি' আদি হ'ল তেখেতৰ উল্লেখযোগ্য কবিতাৰ পুথি। 'মীৰাবাঈ', 'শেষ পূজা', 'পাৰিজাতৰ অভিষেক' আদি শিশু নাটিকাৰ লগতে তেখেতে আত্মজীৱনী আৰু দেউতাকৰ জীৱনীও লিখি থৈ গৈছে। 'পদ্মশ্ৰী' সন্মান লাভ কৰা কবি নলিনী বালা দেৱী আমাৰ চিৰনমস্য।

## ক—পাঠভিত্তিক ক্ৰিয়া

**ক্ৰিয়া-কলাপ**

**১। শুদ্ধ উচ্চাৰণেৰে 'জনমভূমি' কবিতাংশ আবৃত্তি কৰা।**

**২। কবিতাংশ শুদ্ধ আৰু স্পষ্ট উচ্চাৰণেৰে পঢ়া।**

**৩। উত্তৰ দিয়া।**

(ক) কবিয়ে কাৰ কোলাত প্ৰথমে চকু মেলাৰ কথা কৈছে?

(খ) কবিৰ ভাগৰুৱা আত্মাই কোন ঠাইত শেষ জিৰণি ল'বলৈ ইচ্ছা প্ৰকাশ কৰিছে?

(গ) কবিয়ে পখী হৈ ক'ত বাহ ল'ম বুলি কৈছে?

(ঘ) কবিয়ে হিমালয় পৰ্বতৰ ক'ত আৰু কি হৈ ৰ'ব বুলি কৈছে?

**৪। উদাহৰণত দিয়াৰ দৰে কবিতাটোৰ পৰা অন্ত্যমিল থকা শব্দবোৰ বাছি লিখা।**

**উদাহৰণ ঃ** পুৱাত সন্ধিয়াত

________ ⇢ ________ ________ ⇢ ________

________ ⇢ ________ ________ ⇢ ________

________ ⇢ ________ ________ ⇢ ________

*শুদ্ধ উচ্চাৰণেৰে কবিতাংশ আবৃত্তি কৰি শুনাব। ছাত্ৰ-ছাত্ৰীকো আবৃত্তি কৰিবলৈ দিব।*

৫। **তলৰ শব্দবোৰৰ অৰ্থ মিলাই লিখা।**

| শব্দ | অৰ্থ |
|---|---|
| পখী | আদি |
| শীতলী | চেনেহ |
| সোণোৱালী | চৰাই |
| মৰম | পৰ্বতৰ আগ বা ওখ ভাগ |
| প্ৰথম | চেঁচা, শীতল |
| টিং | সোণ-বৰণীয়া |

৬। **'মুদিম আকৌ চকু**
**তোমাৰ কোলাতে শুই**
**জীৱনৰ শেষ সন্ধিয়াত'।**

ওপৰৰ কবিতাফাকিৰ গদ্যৰূপ হ'ল — জীৱনৰ শেষ সন্ধিয়াত তোমাৰ কোলাত শুই আকৌ চকু মুদিম। এই উদাহৰণটো চাই **তলৰ কবিতা কেইফাকি গদ্য ৰূপত লিখা।**

(ক) সোণোৱালী মেঘ হে
ৰঙা হাঁহি বিৰিঙাম
শেঁতা পৰা দুখনি ওঁঠত।

(খ) আকাশৰ তৰা হে
ৰ লাগি চাই ৰ'ম
সেউজীয়া শুৱনি জেউতি।

৭। **পাঠত থকা 'জনমভূমি' কবিতাংশৰ মূলভাৱ লিখা।**

**খ—ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)**


৮। **উপযুক্ত স্থানত যতি চিহ্ন প্ৰয়োগ কৰি তলৰ পদ্য কেইফাকি পুনৰাই লিখা।**

পুঁৱতিৰ লগে লগে জগাম তোমাক নিতে
বনৰীয়া সুৱদি গীতত
আকাশৰ তৰা হে ৰ লাগি চাই ৰ'ম
সেউজীয়া শুৱনি জেউতি
জোনাকত মিল হৈ বিমান পথত বৈ
ওৰে ৰাতি কৰিম আৰতি

৯। তলৰ শব্দবোৰৰ বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা।

| | | | | | |
|---|---|---|---|---|---|
| জনম | | শেষ | | ছাঁ | |
| ওখ | | ৰাতি | | দুখীয়া | |

১০। (ক) ছবিসমূহৰ তলত দিয়া শব্দবোৰৰ খালীঠাইসমূহ বিশেষণ পদেৰে পূৰ কৰা –


..................জবা ..................... পাত .................. ছাতি

(খ) বন্ধনীৰ ভিতৰত থকা শব্দবোৰৰ পৰা বিশেষ্য আৰু বিশেষণ পদবোৰ বাছি ভাগে ভাগে লিখা।
(ভাল, ল'ৰা, ক'লা, কাউৰী, নীলা, আকাশ, লেতেৰা, সৰু, মাছ, পানী, গাখীৰ, বগা।)

| বিশেষ্য পদ | বিশেষণ পদ |
|---|---|
| | |

গ—জ্ঞান সম্প্ৰসাৰণ

১১। কবিয়ে আকাশৰ তৰা হৈ পৃথিৱীৰ সেউজীয়া বৰণ চাবলৈ বিচাৰিছে। তুমি আকাশত উৰিব পাৰিলে কি চাবলৈ বিচাৰিবা, লিখা।

১২। জনমভূমিৰ দৰে স্বদেশপ্ৰেমমূলক কবিতা এটা সংগ্ৰহ কৰি আবৃত্তি কৰা।

১৩। তুমি তোমাৰ অঞ্চলৰ বাবে কেনেধৰণৰ ভাল কাম কৰিবলৈ বিচৰা, লিখা।

লগে-ভাগে গাওঁ আহা—

## মই অসমীয়া

জীৱনে-মৰণে মই চিৰদিন অসমীয়া
অসমীয়া দেহে প্ৰাণে মই,
জীয়াই থাকোঁতে মই অসমৰে অসমীয়া
মৰিলেও বৰি ল'ম অসমৰ অমিয়া মৰণ।
অসমৰ হকে যুঁজি অসমৰ হকে মৰোঁ
ধৰ্ম মোৰ জাতি মোৰ
অসমীয়া প্ৰাণৰ আপোন
অসমীয়া ভাষা মোৰ, কথা মোৰ, গীত মোৰ
অসম প্ৰকৃতিয়ে ৰচা
চিনি পাম বুজি পাম
আমৰণ সৰগতো মোৰ এই ভাষা অসমীয়া।



গীতিকাৰ — চৈয়দ আব্দুল মালিক

**চৈয়দ আব্দুল মালিক (১৯১৯-২০০০)** অসমীয়া সাহিত্যৰ এজন বিশিষ্ট গল্পকাৰ, ঔপন্যাসিক, নাট্যকাৰ আৰু কবি। তেখেতৰ জন্মস্থান আছিল গোলাঘাট জিলাৰ নাহৰণিত। তেখেত ১৯৭৭ চনত অসম সাহিত্য সভাৰ সভাপতি পদত অধিষ্ঠিত হৈছিল। 'অঘৰী আত্মাৰ কাহিনী' নামৰ উপন্যাসৰ বাবে তেখেতে 'সাহিত্য অকাডেমি' বঁটা লাভ কৰিছিল। ইয়াৰ উপৰি 'অসম উপত্যকা বঁটা', 'শংকৰদেৱ বঁটা' আৰু পদ্মশ্ৰী, পদ্মভূষণ সন্মানেৰে তেখেত সন্মানিত হৈছিল।

### ঘ— প্ৰকল্প

**১৪। তুমি জনা পাঁচগৰাকী দেশপ্ৰেমিকৰ নাম ছবিসহ সংগ্ৰহ কৰি তেওঁলোকৰ কৰ্মৰাজিৰ বিষয়ে চমুকৈ লিখা। (সহায়ক উৎস হিচাপে পুথিভঁৰাল, বাতৰি কাকত, আলোচনী, বৈদ্যুতিন মাধ্যমৰ পৰা তথ্য সংগ্ৰহ কৰিবলৈ চেষ্টা কৰিবা)।**

*উল্লিখিত বিষয়সমূহৰ তথ্য সংগ্ৰহ কৰাৰ বাবে বিভিন্ন সমল গ্ৰন্থ, বাতৰি কাকত, বৈদ্যুতিন মাধ্যম আদি দেখুৱাই ছাত্ৰ-ছাত্ৰীক সহায় কৰিব।*